
1. Binod Konwar

.

*Mishing Lokacharat Janma aru Mrityu*




PRINCIPAL, i/c
Marangi Mahavidyalaya

EEKSHA : A collection of bilingual research based articles on diverse topics edited by Mr. Yugal Jyoti Borah, Assistant Professor of English and Dr. Chewari Sarma, Assistant Professor of Assamese, Marangi Mahabidyalaya, published by Jonak Printers on behalf of Teachers' Unit, Marangi Mahabidyalaya, Golaghat, Assam.

*First Edition : December, 2021* *Price: Two Hundred and Fifty Only*

*© Teachers' Unit, Marangi Mahabidyalaya*

Editorial Board

| | |
|---|---|
| Advisers | Dr. Mamoni Mahanta |
| | Mrs. Dipty Tamuly |
| Editors | Mr. Yugal Jyoti Borah |
| | Dr. Chewari Sarma |
| Members | Mrs. Himalata Boruah |
| | Mrs. Pallabi Saikia |
| | Mrs. Gitanjali Bharali |
| | Mr. Jayanta Borah |
| | Dr. Kakali Borah |

| | |
|---|---|
| Publisher | Jonak Printers, Merapani, Golaghat Assam on behalf of Teachers' Unit, Marangi Mahabidyalaya |

ISBN 978-81-951019-7-9

Cover Design : Monjit Rajkhowa

Printed at : Universal Printing Press, Ganeshguri, Guwahati-6

20/10/22
PRINCIPAL, i/c
...i Mahavidyalaya

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

সূচী


- সম্পাদকীয়
- ক'ৰোণাকালীন সময়ৰ সৃজনশীল অসমীয়া সাহিত্য : ড° ৰুবী বৰা /৯
- নিৰুপমা বৰগোহাঞিৰ গল্পত নাৰী-চেতনা : ড° প্ৰাপ্তি ঠাকুৰ/২১
- লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু'ৰ ৰূপতত্ত্ব ঃএটি চমু আভাস : ড° ৰশ্মি বুঢ়াগোঁহাই/২৭
- চাহ-জনগোষ্ঠীয় সাংস্কৃতিক পৰিক্ৰমাত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ : ড° ছেৱাৰী শৰ্মা/৩৯
- দেৱকান্ত বৰুৱাৰ কবিতাত ইন্দ্ৰিয়গ্ৰাহ্য প্ৰেম আৰু বিষাদ ঃ সাগৰ দেখিছা কাব্যৰ এটি চমু অধ্যয়ন : হিমলতা বৰুৱা/৪৮
- পাশ্চাত্য সাহিত্যত মহামাৰীৰ চিত্ৰণ : চিত্ৰৰঞ্জন মিলি/৫৬
- মিচিং লোকাচাৰত জন্ম আৰু মৃত্যু : বিনোদ কোঁৱৰ/৬৫
- ঠেঙাল কছাৰীসকলৰ বিবাহ অনুষ্ঠানঃ এটি চমু অৱলোকন : নিৰুপমা বড়া/৭২
- নামঘোষা ঃ অন্য এক মহৎ গ্ৰন্থ : অঞ্জু বৰা/৮১
- নগৰ অঞ্চলৰ বৃদ্ধলোকসকলৰ সমস্যা ঃ এক সামাজিক অৱলোকন : ত্ৰিবেণী বৰা/৮৭
- 21st Century Jobs: A Snapshot : Hiranya K. Nath/94
- Electronic Media andTechnologies in ODeL System : Dr. Shrutidhara Mahanta/100
- Need of Value Education in the Light of Gandh's Philosophy : Chumi Bora/112
- Kamala Das and Her Feminine Sensibility : Rekha Moni Kutum/121


PRINCIPAL, i/c
Marangi Mahavidyalaya

Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya

# মিছিং লোকাচাৰত জন্ম আৰু মৃত্যু

✍ বিনোদ কোঁৱৰ

**অৱতৰণিকা ঃ**

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ বহু জাতি-জনগোষ্ঠীয়ে বসবাস কৰি আহিছে। অতি প্ৰাচীন কালৰে পৰাই উত্তৰ পূৰ্বাঞ্চলৰ এই সাৰুৱা ভূখণ্ডলৈ বিভিন্ন সময়ত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক প্ৰব্ৰজন কৰি আহিছে। অতি গুৰুত্বপূৰ্ণ আৰু উল্লেখযোগ্য দিশটো হ'ল যে প্ৰতিটো জাতি জনগোষ্ঠীৰে আছে নিজস্ব ভাষা-সংস্কৃতি। ফলস্বৰূপে উত্তৰ পূৰ্বাঞ্চল ভাষা সংস্কৃতিৰ এক সমন্বয়ৰ স্থল হোৱাটো স্বাভাৱিক। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা এটা অন্যতম বৃহৎ জনগোষ্ঠী হৈছে মিছিংসকল। এওঁলোকৰ আদিম বাসস্থান আছিল উত্তৰ পূবে থকা আবৰ পাহাৰ, বৰ্তমানৰ অৰুণাচল প্ৰদেশ। ভাষাতাত্ত্বিক বিচাৰত এই লোকসকল চীন তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত ধৰ্মী ঠালৰ অন্তৰ্গত আৰু নৃ-গোষ্ঠীয় বিচাৰত এইসকল লোক মংগোলীয় ঠালৰ। মিছিং সকল অসমলৈ কেতিয়া আহিছিল আৰু কোনো নিৰ্দিষ্ট তথ্য পোৱা নাযায়। যি কি নহওক, এই লোকসকল অসমলৈ আহোতে লগত লৈ আহিছিল নিজস্ব ভাষা-সংস্কৃতি। মানুহৰ লগত সমাজ আৰু সংস্কৃতিৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত। মানুহ হৈছে সামাজিক প্ৰাণী। এখন সমাজ সুন্দৰ আৰু সু-সংবদ্ধ ৰূপত পৰিচালিত হ'বৰ বাবে প্ৰয়োজন হয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰৰ। মানৱ সমাজৰ মাজত প্ৰকাশ পোৱা ৰীতি নীতি, আচাৰ ব্যৱহাৰ, জীৱন নিৰ্বাহ পদ্ধতি - এই সকলোৰে সমষ্টিয়েই হৈছে সংস্কৃতি। সংস্কৃতিৰ এটা অন্যতম অংগ হৈছে লোক সংস্কৃতি। লোক সংস্কৃতিত প্ৰতিফলিত হয় লোকমন আৰু লোকসমাজ। লোক সমাজ পৰিচালিত হয় পৰম্পৰা, লোক বিশ্বাস আৰু লোক অভিজ্ঞতাৰ ভিত্তিত। লোক সমাজৰ মাজত প্ৰচলিত ৰীতি-নীতি, পৰম্পৰা আদি সাৰ্বজনীন স্তৰলৈ উন্নীত হৈ লোকাচাৰলৈ পৰিণত হয়। লোকাচাৰ সমূহৰ মাজত এটা জাতিৰ স্বকীয়তা নিহিত হৈ থাকে আৰু লগতে ই লোক জীৱনক



PRINCIPAL, i/c
Marang
Scanned by TapScanner
PRINCIPAL, i/c
Marangi Mahavidyalaya

পৰিশিলিত ৰূপত পৰিচালিত কৰে। এই আলোচনা পত্ৰত মিছিংসকলৰ জন্ম-মৃত্যু সম্পৰ্কে থকা লোকাচাৰ সমূহ আলোচনা কৰাৰ লগতে পৰিৱৰ্তিত সময় আৰু সমাজৰ প্ৰেক্ষাপটত ইয়াৰ পৰিৱৰ্তনৰ বিষয়ে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**জন্ম সম্পৰ্কীয় লোকাচাৰ ঃ**

প্ৰত্যেক সমাজতে শিশুৰ জন্মৰ আগত আৰু পিছত কিছুমান ৰীতি নীতি মানি চলা হয়। শিশুৰ জন্মৰ আগত বা পিছত যিবিলাক ৰীতি-নীতি প্ৰসুতি গৰাকী বা পৰিয়ালটিয়ে মানি চলে তাৰে কিছুমানৰ বৈজ্ঞানিক ভিত্তি আছে আৰু কিছুমান পৰম্পৰাৰ ভিত্তিত প্ৰচলিত। উল্লেখযোগ্য যে লোক সমাজত বৈজ্ঞানিক বিচাৰ বিশ্লেষণক বিশেষ গুৰুত্ব দিয়া নহয়। অসমত বসবাস কৰা মিছিং সমাজত জন্ম সম্পৰ্কীয় ভালেমান নীতি নিয়ম দেখা যায়। সন্তানে মাকৰ গৰ্ভত অৱস্থান লোৱাৰ পৰা জন্মৰ সময়লৈকে একধৰণৰ নীতি নিয়ম আৰু জন্মৰ পিছত অন্য এক ধৰণৰ নীতি নিয়ম পালন কৰা হয়। জন্মৰ আগত মাক-দেউতাকে গৰ্ভত থকা সন্তানৰ মংগলৰ কাৰণে কোনো ধৰণৰ আনৰ অপকাৰ হোৱা কাৰ্য নকৰে; কোনো ধৰণৰ বেয়া চিন্তা তেওঁলোকৰ মনত ঠাই নিদিয়ে। গৰ্ভস্থ সন্তানৰ অমংগল হ'ব বুলি তেওঁলোকে কোনো ধৰণৰ জীৱ জন্তু বধ নকৰে, আনকি তেওঁলোকৰ খাদ্য তালিকাত থকা হাঁহ, কুকুৰা, পাৰ আদিও বধ নকৰে আৰু কণীও নাখায়। পত্নীৰ গৰ্ভাৱস্থাত স্বামীয়ে কঠীয়া টোম নাবান্ধে। মিছিং সমাজৰ মাজত বিশ্বাস আছে যে কঠীয়া টোম বান্ধিলে প্ৰসুতিয়ে সন্তানৰ জন্মৰ সময়ত কষ্ট ভোগ কৰে। ইয়াৰ উপৰিও মিছিং সমাজত বিশ্বাস আছে যে প্ৰসুতিয়ে ৰচী দেই গ'লে গৰ্ভত থকা সন্তানৰ নাড়ী পাকখায়। সেয়ে তেওঁলোকে গৰ্ভাৱস্থাত ৰচী দেই নাযায়। এইবিলাক হৈছে শিশুৰ জন্মৰ আগৰ বা প্ৰাক্ জন্মকালীন লোকাচাৰ।

সন্তান জন্ম হোৱাৰ পিছত সন্তানৰ শুদ্ধিকৰণলৈকে মিছিংসকলৰ নিজস্ব লোকাচাৰ আছে। মিছিংসকলৰ মাজত বিশ্বাস আছে যে সদ্যজাত শিশুৰ মুখ লাগিব পাৰে। সেয়ে অন্য লোকৰ যাতে মুখ নালাগে তাৰ প্ৰতিকাৰ হিচাপে সদ্যজাত শিশুৰ হাত আৰু ভৰিত ৰঙীন সূতা বান্ধি দিয়া হয়। হাতৰ ডালক



'লাকজিন' আৰু ভৰিৰ ডালক 'লেজিন' বুলি কোৱা হয়। সন্তান জন্মৰ পিছত তেওঁলোকে অশৌচ এমাহলৈকে চলে আৰু এই সময়ছোৱাত পৰ্যায়ক্ৰমে শুদ্ধি প্ৰক্ৰিয়াও চলি থাকে। সন্তানৰ মংগলৰ কাৰণে আৰু পিতৃ-মাতৃয়ে সমাজৰ কামত অংশ গ্ৰহণ কৰিবৰ কাৰণে তেওঁলোকে এই শুদ্ধি প্ৰক্ৰিয়া চলাই থাকে। মিছিংসকলৰ সন্তানৰ প্ৰথম শুদ্ধি প্ৰক্ৰিয়া পাঁচ দিনত কৰা হয়। পাঁচ দিনৰ দিনা সন্তানক বাহিৰলৈ উলিয়াই গা পা ধুওৱা হয়। সদ্যজাত সন্তানক চুলি খুৰাই, বেলি দেখুওৱা হয় আৰু মাক-দেউতাকক শান্তি পানী দিয়া হয়। পাঁচ দিনত এই প্ৰাথমিক শুদ্ধিকৰণ কৰিলেও সন্তানৰ পিতৃ নৈ পাৰ হোৱা, অন্য ঠাইলৈ যোৱা, নৈ বিলত মাছ বিচাৰি যোৱা আদি কাৰ্য নিষেধ কৰি থোৱা থাকে। মিছিং সমাজত সন্তানৰ কাৰণে বিভিন্ন কাৰ্য কৰি থকাৰ সমান্তৰালভাৱে প্ৰসুতি গৰাকীৰ স্বাস্থ্যৰ প্ৰতিও যত্ন লোৱা হয়। মাকৰ গাখীৰ ওলোৱাৰ বাবে পাঁচ দিনলৈকে জাল খাবলৈ দিয়া হয়। জাল দিয়া সামগ্ৰী হিচাপে তেওঁলোকে ব্যৱহাৰ কৰে ওহোৱা কুকুৰা মাংস, নলটেঙা, জালুক, আহৈ চাউলৰ ভাত, ছাই মদ আদি। ন-জোন ওলালে মিছিং সমাজে সন্তানৰ শুদ্ধি সকাম পাতে। এই শুদ্ধি সকামলৈ গাঁৱৰ বয়সীয়া তিৰোতাসকলক আমন্ত্ৰণ কৰে আৰু সকলোকে কুকুৰা মাংসৰে ভোজ-ভাত খুওৱা হয়।

**মৃত্যু সম্পৰ্কীয় লোকাচাৰ ঃ**

মিছিং সমাজত মানুহৰ মৃত্যু হ'লে মৃতদেহৰ ক্ষেত্ৰত আৰু মৃতকৰ পৰিয়ালে পালন কৰিবলগীয়া কিছুমান নিজস্ব ৰীতি-নীতি আছে। মিছিং সমাজত মানুহৰ মৃত্যু হ'লে পৰিয়ালত পৰম্পৰাগতভাৱে সংৰক্ষিত 'লৌনং' বজাই ওচৰ চুবুৰীয়াক মৃত্যু হোৱাৰ জাননী দিয়ে। ওচৰ চুবুৰীয়াই হাতত আপংৰ টোপোলা লৈ পৰিয়ালবৰ্গক সমবেদনা জনাই মৃতকক ধুৱাই পখলাই ন কাপোৰ পিন্ধাই নতুন ঔম্পু (নগা ঢাৰি) ত শুৱায়। মৃতকৰ দুয়োটা ভৰিৰ বুঢ়া আঙুলি দুটা এৰা সূতাৰে একেলগ কৰি বান্ধি দিয়া হয়।

মিছিং সমাজত মৃতকক দাহ নকৰে, পোতা প্ৰথাহে প্ৰচলিত আছে। তেওঁলোকে পুতিবৰ বাবে আই বসুমতীৰ পৰা মাতি কিনি এটা গাত খান্দে। গাতত মৃতদেহ ৰাখিবৰ সুবিধা কৰি বাহৰ চালি দিয়ে বা খুঁটা পোতে। অৱশ্যে



Scanned by TapScanner

PRINCIPAL, i/c
Marangi Mahavidyalaya